# নিয়োগ বিজ্ঞাপন

অসম চৰকাৰৰ ইংৰাজী ২৬-০৮-২০২১ তাৰিখৰ অধিসূচনা নং. আৰ.এল. আৰ. ৭৩/২০২০/৩, ইংৰাজী ১৯-০৭-২০১৯ তাৰিখৰ অধিসূচনা নং.ঃ আৰ.এল.আৰ ১৮৭/২০০৭/পাৰ্ট/২৪ আৰু ১০/০৪/২০১৮ তাৰিখৰ অধিসূচনা নং.ঃ আৰ. এল. আৰ ১৮৭/২০০৭/৩৯ অনুযায়ী শোণিতপুৰ জিলাৰ অন্তৰ্গত (১) তেজপুৰ (২) ঢেকীয়াজুলি (৩) ঠেলামৰা (৪) চাৰিদুৱাৰ আৰু (৫) নদুৱাৰ ৰাজহ চক্ৰৰ অধীনৰ বৰ্তমান খালী হৈ থকা মুঠ ৪৩টা নিম্ন লিখিত গাঁওপ্ৰধান পদত নিযুক্তি দিবৰ বাবে ইচ্ছুক প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে।

| ক্ৰমিক নং | ৰাজহ চক্ৰৰ নাম | মৌজাৰ নাম | গাঁৱৰ নাম | গাঁৱৰ লাট নং | পদৰ সংখ্যা | মাহিলি পাৰিতোষিক |
|---|---|---|---|---|---|---|
| ১ | তেজপুৰ | ভৈৰৱপদ | দেউৰী গাঁও আৰু কুমাৰ গাঁও | ১৩ নং | ১টা | ১৪,০০০/- |
| ২ | ঐ | হলেশ্বৰ | ডিপোটা হাটখোলা আৰু উহনী পথাৰ | ১ নং | ১টা | ১৪,০০০/- |
| ৩ | ঐ | বিহগুৰি | কলিতা গাঁও | ২ নং | ১টা | ১৪,০০০/- |
| ৪ | ঐ | মহাভৈৰৱ | ধনিয়া শিশুআটী (বুঢ়াচাপৰি) | ৩ নং | ১টা | ১৪,০০০/- |
| ৫ | ঐ | ভৈৰৱপদ | কটকী চুবুৰি | ৬ নং | ১টা | ১৪,০০০/- |
| ৬ | ঐ | হলেশ্বৰ | নপাম, আমোলাপাম আৰু বৰগুৰি | ২০ নং | ১টা | ১৪,০০০/- |
| ৭ | ঐ | বিহগুৰি | বাপুভেটি গাঁও | ১ নং | ১টা | ১৪,০০০/- |
| ৮ | ঐ | ঐ | ১ নং পুঠিমাৰী গাঁও | ১৬ নং | ১টা | ১৪,০০০/- |
| ৯ | ঐ | হলেশ্বৰ | বেটনীঝাৰ গাঁও | ১৮ নং | ১টা | ১৪,০০০/- |
| ১০ | ঐ | ঐ | শইকীয়া চুবুৰি তেলেৰীয়া | ৮ নং | ১টা | ১৪,০০০/- |
| ১১ | ঐ | মহাভৈৰৱ | ভোজখোৱা চাপৰি, ভোজখোৱা গাঁও, ভোমোৰাগুৰি, কছাৰী পাম, চটাই চাপৰি | ৫ নং | ১টা | ১৪,০০০/- |
| ১২ | ঐ | ঐ | বাৰিকা চুবুৰি, বালিচাপৰি | ২ নং | ১টা | ১৪,০০০/- |
| ১৩ | ঢেকীয়াজুলি | ঢেকীয়াজুলি | চপাই ৰৌমাৰী পথাৰ, হুগ্ৰাজুলি বাগিচা, মাজগাঁও পথাৰ, মাজ বালিগাঁও | ১ নং | ১টা | ১৪,০০০/- |
| ১৪ | ঐ | ঐ | বৰপেটা গাঁও, ঘগৰা গাঁও | ১৮ নং | ১টা | ১৪,০০০/- |
| ১৫ | ঐ | ঐ | তৰাজান পথাৰ, তৰাজান গাঁও | ২৪ নং | ১টা | ১৪,০০০/- |
| ১৬ | ঐ | ঐ | তৰাজান বঙ্গালী, গড়মৰা বঙ্গালী, মেধিপাম গাঁও, মেধিপাম পথাৰ | ২৮ নং | ১টা | ১৪,০০০/- |
| ১৭ | ঐ | বৰছলা | শিঙিমাৰী বঙ্গালী, ভৈৰাগুৰি পথাৰ | ৪ নং | ১টা | ১৪,০০০/- |
| ১৮ | ঐ | বৰছলা | বৰঝাৰ | ৬ নং | ১টা | ১৪,০০০/- |
| ১৯ | ঐ | বৰছলা | ৰতনজুলি, বালিসিহা, ভালুকধৰা | ২৪ নং | ১টা | ১৪,০০০/- |
| ২০ | ঠেলামৰা | বৰগাঁও | তেলীয়া গাঁও | ২ নং | ১টা | ১৪,০০০/- |
| ২১ | ঐ | ঐ | সিপৰীয়া চাপৰি, তেলীয়া পথাৰ, বটলা গাঁও | ২ নং | ১টা | ১৪,০০০/- |
| ২২ | ঐ | ঐ | বৰপুখুৰী গাঁও, বৰগাঁও চাপৰি | ৩ নং | ১টা | ১৪,০০০/- |
| ২৩ | ঐ | নাহৰবাৰী | কাঠনীবাৰী, কোঁচ গাঁও কাটনী গাঁও | ২ নং | ১টা | ১৪,০০০/- |
| ২৪ | ঐ | ঐ | নাহৰবাৰী গাঁও, এৰাসুঁতি পথাৰ, ভেৰগাঁও | ২ নং | ১টা | ১৪,০০০/- |
| ২৫ | ঐ | মিছামাৰী | দীঘল দল গাঁও | ৫ নং | ১টা | ১৪,০০০/- |
| ২৬ | চাৰিদুৱাৰ | চাৰিদুৱাৰ | ডফলা পথাৰ | ২ নং | ১টা | ১৪,০০০/- |
| ২৭ | ঐ | ঐ | গেন্দুৰা বিল গাঁও | ১৬ নং | ১টা | ১৪,০০০/- |
| ২৮ | ঐ | ঐ | ঘটুৱা চুবুৰি | ২ নং | ১টা | ১৪,০০০/- |
| ২৯ | ঐ | ঐ | নাহৰণি গাঁও | ৫ নং | ১টা | ১৪,০০০/- |
| ৩০ | ঐ | ঐ | ফুলগুৰি গাঁও, ফুলগুৰি নেপালী | ৪ নং | ১টা | ১৪,০০০/- |
| ৩১ | ঐ | ঐ | বালিশিহা কছাৰী | ২ নং | ১টা | ১৪,০০০/- |
| ৩২ | ঐ | ঐ | হাতীডুবি গাঁও | ৪ নং | ১টা | ১৪,০০০/- |
| ৩৩ | ঐ | গৰৈমাৰী | চলাগাঁও | ৬ নং | ১টা | ১৪,০০০/- |
| ৩৪ | ঐ | ঐ | তিনিখৰীয়া মিৰি গাঁও | ৯ নং | ১টা | ১৪,০০০/- |
| ৩৫ | ঐ | ঐ | শিঙিতলী | ২২ নং | ১টা | ১৪,০০০/- |
| ৩৬ | নদুৱাৰ | মুঢ়াদল | নিউ বামুণগাঁও এন চি | ৭ নং | ১টা | ১৪,০০০/- |
| ৩৭ | ঐ | বৰভগীয়া | বড়ি গাঁও | ৫ নং | ১টা | ১৪,০০০/- |
| ৩৮ | ঐ | ঐ | কুমাৰ গাঁও, হুকাই, গমিৰিপাল | ১৬ নং | ১টা | ১৪,০০০/- |
| ৩৯ | ঐ | মুঢ়াদল | চেবাৰী বঙ্গালী গাঁও | ১৪ নং | ১টা | ১৪,০০০/- |
| ৪০ | ঐ | ছিলাবন্ধা | শলগুৰি | ২ নং | ১টা | ১৪,০০০/- |
| ৪১ | ঐ | ঐ | মৰণাকুৰি | ৩ নং | ১টা | ১৪,০০০/- |
| ৪২ | ঐ | ঐ | থুলেটিকা | ৪ নং | ১টা | ১৪,০০০/- |
| ৪৩ | ঐ | মুঢ়াদল | মৰিসুঁতি, ১ নং বৰদিকৰাই, ২ নং বৰদিকৰাই | ৬ নং | ১টা | ১৪,০০০/- |

**প্ৰাৰ্থীৰ ন্যূনতম অৰ্হতা ঃ**

১। আবেদনকাৰী ভাৰতীয় নাগৰিক হ'ব লাগিব আৰু নিযুক্তিৰ বাবে আবেদন কৰা গাঁৱৰ অথবা গাঁও প্ৰধান লাটৰ গাঁও সমূহৰ ভিতৰৰ স্থায়ী বাসিন্দা হ'ব লাগিব।

২। অসম চৰকাৰৰ ইংৰাজী ১৯-০৭-২০১৯ তাৰিখৰ অধিসূচনা নং.ঃ আৰ.এল.আৰ ১৮৭/২০০৭/পাৰ্ট/২৪ অনুসৰি আবেদনকাৰীৰ ২ (দুই) টাতকৈ বেছি সন্তান থাকিব নালাগিব। এই অধিসূচনা জাৰি হোৱাৰ আগতে যিসকলৰ ২ (দুই) টাতকৈ বেছি সন্তান আছে, তেওঁলোকৰ ক্ষেত্ৰত এই নিৰ্দেশনা প্ৰযোজ্য নহ'ব। এই সন্দৰ্ভত আবেদনকাৰীয়ে শপতনামা আবেদনৰ লগত দাখিল কৰিব লাগিব।

৩। আবেদনকাৰীৰ বয়স ০১/০১/২০২৬ তাৰিখে অতিকমেও ৩০ বছৰ হ'ব লাগিব আৰু ৬৫ বছৰৰ উৰ্ধ্বৰ হ'ব নালাগিব আৰু উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা (H.S.L.C) বা অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ড / প্ৰতিষ্ঠানৰ পৰা সমপৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব আৰু প্ৰমাণ-পত্ৰ কপি গাঁঠি দিব লাগিব।

৪। আবেদনকাৰী শাৰীৰিকভাৱে সক্ষম আৰু সুস্থ মস্তিষ্কৰ অধিকাৰী হ'ব লাগিব।

৫। আবেদনকাৰী আৰ্থিকভাৱে দেউলীয়া আৰু কোনো চৰকাৰী ধনৰ দেনাদাৰ হ'ব নালাগিব।

৬। গাঁও প্ৰধান পৰিয়ালৰ ব্যক্তিক নিযুক্তিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হ'ব আৰু এইক্ষেত্ৰত মৌজাদাৰৰ মতামতৰ ওপৰত বিবেচনা কৰা হ'ব।

৭। আবেদনকাৰী কোনো চৰকাৰী চাকৰিয়াল হ'ব নোৱাৰিব।

৮। আবেদনকাৰীয়ে গাঁও প্ৰধান হিচাপে নিযুক্তি বিচৰা অঞ্চলত আবেদনকাৰীৰ নিজৰ নামত ভূমি / স্থাৱৰ / অস্থাৱৰ সম্পত্তি থাকিব লাগিব।

৯। আবেদনকাৰী কোনো ৰাজনৈতিক দলৰ সদস্য হ'ব নোৱাৰিব।

১০। আবেদনকাৰী চৰকাৰী নীতি আৰু কাৰ্যসূচী ৰূপায়ণ কৰাত আৰু প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সহযোগিতা আগবঢ়োৱা হ'ব লাগিব।

১১। আবেদনকাৰী উচ্চ মৰ্যাদা সম্পন্ন, দক্ষ আৰু সমাজৰ সন্মানীয় স্থিতিত থকা ব্যক্তি হ'ব লাগিব।

১২। আবেদনকাৰীৰ নামত আদালতত কোনোধৰণৰ গোচৰ, মোকৰ্দমা আদি থাকিব নালাগিব।

১৩। **ইচ্ছুক আবেদনকাৰীয়ে তলত দিয়া বিৱৰণ মতে আবেদন জনাব পাৰিব ঃ**

ক) আবেদনকাৰীৰ নাম ঃ
খ) পিতা /স্বামীৰ নাম ঃ
গ) সম্পূৰ্ণ ঠিকনা ঃ
ঘ) আবেদনকাৰীৰ বয়স (ইংৰাজী ০১-০১-২০২৬ তাৰিখ মতে) ঃ
ঙ) আবেদন কৰা গাঁও প্ৰধান লাট নং ঃ
চ) আবেদন কৰা গাঁৱৰ নাম ঃ
ছ) মৌজাৰ নাম ঃ
জ) জিলাৰ নাম ঃ
ঝ) ম'বাইল নং ঃ
ঞ) শিক্ষাগত অৰ্হতা আৰু প্ৰমাণ-পত্ৰ গাঁঠি দিব লাগিব।
ট) বয়সৰ প্ৰমাণ-পত্ৰ (H.S.L.C Admit Card/ Pass Certificate) গাঁঠি দিব লাগিব।
ঠ) আবেদনকাৰীয়ে আবেদন কৰা গাঁৱৰ নাম আৰু গাঁও প্ৰধান লাট নং উল্লেখ কৰিব লাগিব।
ড) নিজৰ নামত থকা মাটিৰ প্ৰমাণ-পত্ৰ গাঁঠি দিব লাগিব।
ঢ) সামাজিক কামৰ অভিজ্ঞতাৰ প্ৰমাণ-পত্ৰ গাঁঠি দিব লাগিব।
ণ) আবেদনকাৰীয়ে নিজৰ ৩ (তিনি) কপি Recent Pass Port Size ৰ ফটো গাঁঠি দিব লাগিব।
ত) গাঁওবুঢ়া পৰিয়ালৰ আবেদনকাৰীয়ে মৌজাদাৰৰ মতামতৰ প্ৰমাণ-পত্ৰ গাঁঠি দিব লাগিব।
থ) বাকীজাঁই ঋণ মুক্ত প্ৰমাণ-পত্ৰ (Up-to-date) গাঁঠি দিব লাগিব।
দ) আবেদনকাৰীয়ে ২ (দুই) টাতকৈ বেছি সন্তান নথকা শপতনামা গাঁঠি দিব লাগিব।

ওপৰত উল্লেখ কৰা অৰ্হতাসমূহ বাধ্যতামূলক আৰু আবেদনকাৰীয়ে দাখিল কৰা প্ৰমাণ-পত্ৰসমূহ যদি ভুৱা বুলি প্ৰমাণিত হয়, তেন্তে তেখেতসকলৰ প্ৰাৰ্থিত্ব তাৎক্ষণিকভাৱে নাকচ কৰা হ'ব আৰু বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

আবেদনকাৰীয়ে আবেদনসমূহ অহা ইং ১৫-০৯-২০২৬ তাৰিখৰ আবেলি ৫.০০ বজালৈকে শোণিতপুৰ জিলাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ পঞ্জীয়ক কাননগো শাখাত জমা দিব পাৰিব।

স্বাক্ষৰ/- জিলা আয়ুক্ত
শোণিতপুৰ, তেজপুৰ

DIPR/D/AT/1079/19-Aug-26

AllJobAssam.com